**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-9-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***

---

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ১৭ ছেপ্তেম্বৰৰ পৰা মাহজোৰা কাৰ্যসূচীৰে সেৱা সংকল্প অভিযান।

২। নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাক্তন জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ নাম ঘোষণা।

৩। ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন।

৪। দেশজুৰি আজি চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত।

*আৰু*

৫। জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত আজি ভাৰতীয় মহিলা দল দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ **সেৱা সংকল্প অভিযান- জনসেৱাই নাৰায়ণ সেৱা** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত বিজেপিৰ বৰ্ধিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই সময়ছোৱাত পৰ্যায়ক্ৰমে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ, স্বাস্থ্য সেৱামূলক কাৰ্যসূচী, স্বচ্ছতা অভিযান, যুৱ ছাত্ৰসকলৰ বাবে বিভিন্ন প্ৰতিযোগিতা আৰু সামাজিক সচেতনতা বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

(বাইট ঃ ডঃ শৰ্মা)

মুখ্যমন্ত্ৰীয়ে অহা ১৯ ছেপ্তেম্বৰত জুবিন গাৰ্গৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত ৰক্তদান কাৰ্যসূচী অনুষ্ঠিত কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব বুলি প্ৰকাশ কৰে। **সেৱা সংকল্প অভিযান**ৰ অংশ হিচাপে ১৭ ছেপ্তেম্বৰৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত মাহজোৰা স্বচ্ছতাই সেৱা অভিযানো ৰূপায়ণ কৰা হ'ব। ৰাজ্যত এই অভিযানৰ প্ৰস্তুতি সন্দৰ্ভত কালি লোকসেৱা ভৱনৰ মুখ্য সচিবৰ কাৰ্যালয়ৰ সভাকক্ষত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ সভাপতিত্বত ৰাজ্যিক পৰ্যায়ৰ সমন্বয় সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সকলো জিলা আয়ুক্ত আৰু নগৰ স্থানীয় নিকায়ৰ প্ৰতিনিধিয়ে ভাৰ্চুৱেলী অংশগ্ৰহণ কৰা এই বৈঠকত স্বচ্ছতাই সেৱা অভিযানৰ প্ৰস্তুতি আৰু প্ৰস্তাৱিত কাৰ্যসূচীসমূহ বিতংভাৱে পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগক নিৰ্দিষ্ট দায়িত্ব অৰ্পণ কৰাৰ লগতে জিলা আয়ুক্তসকলক শীঘ্ৰেই কাৰ্য পৰিকল্পনা প্ৰস্তুত আৰু চূড়ান্ত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে নগৰীয়া স্থানীয় নিকায় আৰু গাঁও পঞ্চায়তসমূহৰ সৈতে সমন্বয় স্থাপনেৰে এই অভিযানৰ সুচাৰু ৰূপায়ণ আৰু সময়মতে অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে এই অভিযানৰ সময়ছোৱাত পৰিচ্ছন্ন পাঠশালা আৰু যুৱ কাৰ্যসূচী,

অধিক জনসমাগম হোৱা স্থানত পৰিস্কাৰ-পৰিচ্ছন্নতা অভিযান, জন ভাগীদাৰী সজাগতা অভিযান, বিশ্ব পৰ্যটন দিৱস উপলক্ষে পৰিচ্ছন্ন পৰ্যটনস্থলী, চাফাই মিত্ৰ সুৰক্ষা আৰু সন্মান শিবিৰ আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। বৈঠকত ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডং ৰবি কোটা আৰু সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থকাৰ উপৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়।

oooooo

নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে বিজেপিয়ে জিলাখনৰ প্ৰাক্তন আয়ুক্ত দেৱাশিস শৰ্মাৰ নাম ঘোষণা কৰিছে। দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে তেওঁৰ প্ৰাৰ্থিত্বত অনুমোদন জনাইছে। শ্ৰী শৰ্মাই কেইদিনমান পূৰ্বে জিলা আয়ুক্তৰ দায়িত্বৰ পৰা স্বেচ্ছাই অৱসৰ লৈ বিজেপিত যোগদান কৰিছিল। এই উপ-নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফে ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰৰ নাম ঘোষণা কৰিছে। সমষ্টিটোত কংগ্ৰেছেও দুই-এদিনতে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত ভোটগ্ৰহণ হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ইপিনে, উপ-নিৰ্বাচনৰ বাবে ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেছন কালি সমষ্টিটোৰ অন্তৰ্গত দুয়োখন জিলাৰ সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰক্ৰিয়াৰ জৰিয়তে সমষ্টি ভিত্তিকভাৱে ধিং, ৰূপহীহাট, চামগুৰি, নগাঁও, বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টিৰ বাবে ই ভি এম আৰু ভি ভি পেটসমূহ কম্পিউটাৰাইজড লটাৰীৰ জৰিয়তে আৱণ্টন কৰা হয়।

oooooo

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া কালি সমাপ্ত হয়। মুঠ ১৫১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৪২ টা ৱাৰ্ডৰ বাবে সহকাৰী ৰিটাৰ্নিং বিষয়াৰ তত্বাৱধানত মনোনয়ন পত্ৰসমূহ গ্ৰহণ কৰা হয়। অহা ১৪ ছেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ ছেপ্তেম্বৰৰ বিয়লি ৩ বজালৈ প্ৰাৰ্থীসকলে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব পাৰিব।

oooooo

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৮ সংখ্যক পৱিত্ৰ তিৰোভাৱ তিথি। প্ৰতি বছৰে ভাদ মাহত অনুষ্ঠিত গুৰুজনাৰ এই তিথিত তেওঁৰ আধ্যাত্মিক তথা সাংস্কৃতিক অৱদান সুঁৱৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ পৰে।

মাজুলীৰ কেইবাখনো সত্ৰত আজি ৰূপান্তৰৰ খনিকৰ, জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সজাই-পৰাই তোৱা সত্ৰ-নামঘৰসমূহ আজি পুৱাৰে পৰা নাম-প্ৰসংগ, গীত-নৃত্য আৰু গুৰুবন্দনাৰে মুখৰিত হৈছে। উজনি মাজুলীৰ নৱ ৰতনপুৰ গাঁৱৰ আইসকলে গুৰুজনাৰ তিথি উপলক্ষে নাম পৰিৱেশন কৰিছে।

(বাইট)

গুৰুজনাৰ তিৰোভাৱ তিথি আজি সমগ্ৰ বৰপেটাতে উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্য মণ্ডিত বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱৰূপে এই তিথি পালন কৰা হয়। এই সন্দৰ্ভত আমাক সবিশেষ জনাইছে বৰপেটা জিলাৰ আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই- (বাইট)

কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ তথা নামঘৰ সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জানিবলৈ দিয়া অনুসৰি আজি প্ৰভাতী বন্দনাৰে কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছত ভাগৱত পাঠ, নাম প্ৰসংগ আৰু

ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। ধৰ্মালোচনী সভাত কোচবিহাৰৰ কেইবাজনো বিশিষ্ট নাগৰিক আৰু উত্তৰ বংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰসকল উপস্থিত থাকিব। বিয়লি আইসকলৰ থিয়নামৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০

চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত আজি দেশজুৰি অনুষ্ঠিত হ'ব। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত আজি পুৱা ৯ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

কামৰূপ জিলাৰ বকোৰ টুৰুকপাৰা মুগা নাৰ্চাৰী ফাৰ্মত মিছন চেনেহজৰীৰ অধীনত আয়োজিত এটা অনুষ্ঠানত কালি মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম শিল্প বিভাগৰ মন্ত্ৰী শ্ৰী দৈমাৰীয়ে মুগাৰ খাদ্য বৃক্ষ ৰোপণ কৰা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই ফাৰ্মখনৰ সৈতে জড়িত ১০ গৰাকী মুগা পালক উপকৃত হ'ব বুলি আশা কৰে। মন্ত্ৰী দৈমাৰীয়ে কয়, যে তৃণমূল পৰ্যায়ৰ ৰেচম উদ্যোগটোক শক্তিশালী কৰা আৰু স্থানীয়ভাৱে উপযোগী ব্যৱস্থাৰ জৰিয়তে মুগা পালকসকলক সহায় কৰিবলৈ চোম গছৰ ৰোপন প্ৰসাৰিত কৰাৰ প্ৰয়োজন আছে। মিছন চেনেহজৰীৰ অধীনত চোম পুলি ৰোপন অভিযানে এই গছৰ লভ্যতা বৃদ্ধি কৰাৰ লগতে মুগা পালকসকলক উপকৃত কৰিব। ইয়াৰ জৰিয়তে ৰাজ্যৰ মুগা ৰেচমৰ উৎপাদন অধিক বৃদ্ধি হোৱাৰোত আশা কৰা হৈছে। বিভিন্ন বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থকা এই অনুষ্ঠানত মন্ত্ৰী দৈমাৰীয়ে ভালেসংখ্যক মুগা পালকৰ সৈতে মত বিনিময় কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'জুবিন গাৰ্গৰ সাংগীতিক বৈশিষ্ট্য আৰু বিবিধতা' বিষয়ক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক জে পি দাস, লেখক, কবি, সাংস্কৃতিক সমালোচক সমুদ্ৰ কাজল শইকীয়া আৰু আকাশবাণীৰ ঘোষক, গায়ক তথা ভইচ ক্ৰাফ্টৰ প্ৰতিষ্ঠাপক ভাস্কৰজ্যোতি আচাৰ্যই। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙীয়া আৰু জিণ্টী ৰাণী ডেকাই।

০০০০০০

**চীনৰ মোকিত চলি থকা জুনিয়ৰ এছিয়া কাপৰ প্ৰথমখন ছেমিফাইনেলত আজি ভাৰতীয় মহিলা দলটোৱে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি পুৱা ৯ বাজি ৪৫ মিনিটত খেলখন আৰম্ভ হ'ব। কোৱাৰ্টাৰ ফাইনেলত পাকিস্তানক ১৯-০ গলত পৰাস্ত কৰি যোৱাবাৰৰ চেম্পিয়ন ভাৰতে ছেমিফাইনেলত প্ৰৱেশ কৰে। তিনিখন খেলত আকৰ্ষণীয় জয় আৰু এখন অমীমাংসিত হৈ ৰোৱা খেলত মুঠ ১০ পইণ্ট লাভ কৰি ভাৰতে অপৰাজিত হৈ থকাৰ অভিলেখসহ এলিট পুল 'এ'ৰ শীৰ্ষ স্থান দখল কৰে।**

আনখন ছেমিফাইনেলত আয়োজক দেশ চীন জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত চীনে কাজাখাস্তানক ৪-০ গলত পৰাস্ত কৰাৰ বিপৰীতে জাপানে বাংলাদেশক ২-০ গলত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে ।

০০০০০০

News Paper REV

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতেই ব্ৰিকছ শীৰ্ষ সন্মিলনৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। আমাৰ অসম কাকতে বাতৰিটো নজৰ ৰাখিছে আমেৰিকাই, পুটিন-মোদীৰ বৈঠক , দিল্লী ব্ৰিকছত ডলাৰৰ বিকল্পৰ চিন্তা-চৰ্চা শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আনহাতে ব্ৰিকছ শীৰ্ষ সন্মিলনৰ পূৰ্বে মোদী- পুটিনৰ বৈঠকৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে ভাৰত- ৰাছিয়াৰ মাজত হ'ব ১০০ কোটি ডলাৰৰ বাণিজ্য চুক্তি শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।বাতৰিটোক দি আছাম ট্ৰিবিউন আৰু দা চেন্টিনেল কাকতেও মুখ্যবাতৰিৰ স্থান দিছে। জিলা আয়ুক্ত পদৰ পৰা স্বেচ্ছামূলকভাৱে অৱসৰ লৈ বিজেপিত যোগদান কৰা দেবাশিষ শৰ্মাক দলটোৱে নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ বাতৰিক দৈনিক জনমভূমি কাকতে নগাঁৱৰ যুদ্ধত নামিল বিজেপি শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। আমেৰিকাৰ জাৰ্নেলত প্ৰকাশ পোৱা অসমৰ এগৰাকী অধ্যাপকৰ জুবিন গাৰ্গৰ মায়াবিনী শীৰ্ষক গীত সম্বন্ধীয় গৱেষণাপত্ৰ বিষয়ক এটা বাতৰিক দৈনিক অসম কাকতে কিশোৰ কুমাৰ, লতা মংগেশকাৰ, কে কেৰ নথকা বৈশিষ্ট্য জুবিন গাৰ্গৰ কণ্ঠত, বিশ্বৰ কণ্ঠবিজ্ঞানৰ মঞ্চত মায়াবিনীৰ ঝংকাৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰী , বক্ৰপথেৰে চাকৰি লোৱা পাঁচ গৰাকী বিষয়াক নিলম্বন কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো বেংক কৰ্মচাৰীৰ ধৰ্মঘটৰ বাতৰিক বেংক ধৰ্মঘটত তিনিদিন অচল লেনদেন শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**